IJCRT.ORG ISSN : 2320-2882

INTERNATIONAL JOURNAL OF CREATIVE RESEARCH THOUGHTS (IJCRT)

An International Open Access, Peer-reviewed, Refereed Journal

# ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ— গীতি সাহিত্য

**ডিম্পী দাস**

**সহকাৰী অধ্যাপিকা (অংশকালীন)**

**অসমীয়া বিভাগ**

**দিশপুৰ মহাবিদ্যালয়, গুৱাহাটী, ভাৰত**

**সংক্ষিপ্তসাৰ :** সংগীত হৈছে মানুহৰ জীৱনৰ কলাত্মক অনুভূতি । আনন্দৰ বাবেই হয়তো আৰম্ভ হৈছিল সংগীতৰ । প্ৰাগ ঐতিহাসিক কালৰে পৰাই অসমত সংগীত চৰ্চাৰ ধাৰাবাহিকতা প্ৰচলিত হৈ আহিছে । অসমীয়া গীতি সাহিত্যৰ ইতিহাস বৰ প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত। লোক সাহিত্যৰ বুকুতেই অসমীয়া গীতি সাহিত্যৰ ভেটি প্ৰতিষ্ঠা হয় । মানুহৰ মুখে মুখে প্ৰচলিত হোৱা লোকগীতৰ পৰা আৰম্ভ কৰি বৰগীত আৰু আধুনিক যুগৰ গীতলৈ অসমীয়া সংগীতৰ এক সুদীৰ্ঘ ইতিহাস আছে । অসমীয়া লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন হৈছে চৰ্যাপদ । এই চৰ্যাপদৰ পৰা আৰম্ভ কৰি পৰৱৰ্তী সময়ত গুৰু দুজনাই সৃষ্টি কৰা আধ্যাত্মিক ভাবসম্পন্ন বৰগীত, নাটৰ গীত, ভটিমা, ইত্যাদিৰ মাজেৰে অসমীয়া গীতি সাহিত্যই বিশিষ্ট ৰূপ লাভ কৰে । প্ৰাচীন অসমৰ বিভিন্ন ঠাইত, বিভিন্ন সময়ত, বিভিন্নজন ৰজাৰ ৰাজত্বকালত নিৰ্মাণ কৰা দেৱ দেৱীৰ মন্দিৰ সমূহৰ ভিতৰে বাহিৰে , দেৱাল, স্তম্ভ, দৰ্জাত অলংকৃত ভাস্কৰ্যই অসমত সংগীত পৰম্পৰাৰ সাক্ষ্য দাঙি ধৰে।

**বীজ শব্দ :** সংগীত, পৰম্পৰা, জ্যোতিপ্ৰসাদ, আগৰৱালা

**আৰম্ভণি :** বহু মুখী প্ৰতিভাৰ অধিকাৰী আৰু অসমীয়া সংগীতৰ বাটকটীয়া ৰূপকোঁৱৰ জ্যোতপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল ১৯০৩ চনৰ ১৭ জুন তাৰিখে তামোলবাৰী চাহ বাগিচাত । তেওঁৰ পিতৃৰ নাম আছিল পৰমানন্দ আগৰৱালা আৰু মাতৃৰ নাম আছিল কিৰণময়ী আগৰৱালা। প্ৰতিমাৰ খনিকৰ খ্যাত চন্দ্ৰকুমাৰ আগৰৱালা তেওঁৰ বৰদেউতাক আছিল। তেওঁ ডিব্ৰুগড় জৰ্জ হাইস্কুল , ডিব্ৰুগড় চৰকাৰী হাইস্কুল আৰু তেজপুৰ হাইস্কুলত স্কুলীয়া শিক্ষা লাভ কৰিছিল। জ্যোতপ্ৰসাদ আগৰৱালা আছিল অসমৰ এগৰাকী গীতিকাৰ , নাট্যকাৰ , লেখক আৰু প্ৰথম গৰাকী অসমীয়া চলচ্চিত্ৰ নিৰ্মাতা। অসমীয়া সাহিত্যৰ নাটক, কবিতা, প্ৰবন্ধ , সমালোচনা , শিশু সাহিত্য এই সকলো বোৰ দিশতে তেওঁ অৱদান আগবঢ়াই থৈ গৈছে।১৯৩৪ চনত তেওঁ প্ৰথম অসমীয়া কথা ছবি জয়মতী নিৰ্মাণ কৰে। ১৯৩৫ চনত জয়মতী ছবিখনে মুক্তি লাভ কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ ‘সতী জয়মতী’ নাটকখনৰ ওপৰত ভিত্তি কৰি জ্যোতিপ্ৰসাদ আগৰৱালাই এই ছবিখন প্ৰযোজনা আৰু পৰিচালনা কৰিছিল। এই ছবি খনত মূল নায়িকাৰ চৰিত্ৰত অভিনয় কৰিছিল আইদেউ সন্দিকৈয়ে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা নাটক সমূহ হ'ল — শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী , ৰূপালীম , নিমাতী কইনা, লভিতা, খনিকৰ, সোণ পখিলী , কনকলতা আদি। তেওঁ ৰচনা কৰা একমাত্ৰ উপন্যাস খনৰ নাম আছিল ‘আমাৰ গাঁও’ কিন্তু তেওঁৰ মৃত্যু হোৱাত উপন্যাসখন আধৰুৱা হৈ ৰ'ল। তেওঁ ৰূপহী , বগীতৰা, সোণতৰা, যুঁজাৰু, সন্ধি, কলাঘুমটি, নীল চৰাই ইত্যাদি বহুকেইটা গল্পও

ৰচনা কৰিছিল। তেওঁ প্ৰায় ৩০০ মান গীত ৰচনা কৰিছিল আৰু নিজেই সুৰ দিছিল। তেওঁ ৰচনা কৰা গীত সমূহক জ্যোতি সংগীত বুলি কোৱা হয়।

## জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ সৌন্দৰ্য্য:

জ্যোতিপ্ৰসাদ আগৰৱালাক অসমীয়া সংগীতৰ বাটকটীয়া বুলি কোৱা হয়। কবি আৰু নাট্যকাৰ ৰূপে জ্যোতিপ্ৰসাদ আগৰৱালাই জনপ্ৰিয়তা লাভ কৰিলেও সংগীতৰ বিশাল জগত খনলৈ আগবঢ়োৱা অৱদানৰ বাবে অসমীয়া জাতি তেওঁৰ ওচৰত সদায় কৃতজ্ঞ । যুগ যুগ ধৰি অৱহেলিত হৈ ৰোৱা অসমীয়া সংস্কৃতিক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ বাবে তেওঁ আপ্ৰাণ চেষ্টা চলাইছিল। তেওঁৰ চিন্তা আৰু সৃষ্টি প্ৰাচ্য-পাশ্চাত্য , অতীত-বৰ্তমান , কল্পনা আৰু বাস্তৱৰ এক অনুপম সমন্বয়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মৰ সময়খিনি আছিল অসমীয়া জাতি , সাহিত্য সংস্কৃতিৰ বাবে এক দুৰ্যোগপূৰ্ণ সময়। সেই সময়খিনি আছিল নতুন পুৰণি আৰু পূৱ - পশ্চিমৰ এক সংঘাতপূৰ্ণ সময়। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম দেশ ইংৰাজৰ অধীনলৈ যোৱাৰ লগে লগে এচাম শিক্ষিত লোক পাশ্চাত্য ধাৰাটোৰ প্ৰতি আকৰ্ষিত হৈ পৰিল যাৰ ফলত আৰম্ভ হ' ল ন-পুৰণিৰ সংঘাত । এই সংঘাতপূৰ্ণ সময়ছোৱাতে জ্যোতিপ্ৰসাদে কবিতা, গীত , নাট আদি সকলো ৰচনা কৰিছিল। তেওঁৰ সাহিত্যিক কৰ্মৰাজিৰ মাজেৰে মৌলিক সৃষ্টি প্ৰতিভাৰ পৰিচয় পোৱা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিশীল কৰ্মসমূহৰ ভিতৰত অন্যতম উল্লেখযোগ্য অৱদান হ'ল — গীতি - সাহিত্য। জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা প্ৰতিটো গীতৰ ভাব আৰু ভাষা আছিল অতি সহজ-সৰল। সাধাৰণ লোকৰ মনৰ কথা তেওঁৰ গীত সমূহত পোনপটীয়াকৈ প্ৰকাশ পাইছিল। তেওঁ অসমীয়া গীতবোৰত আধুনিকতাৰ পৰশ দিছিল। তেওঁৰ গীত সমূহৰ সুৰৰ লগত অসমীয়াৰ প্ৰাণৰ সংযোগ আছে। অসমৰ মাটিৰ গোন্ধ থকা থলুৱা গীত সমূহক আধাৰ হিচাপে লৈ নিজস্ব সৃষ্টিশীল প্ৰতিভাৰে আধুনিক অসমীয়া সংগীতৰ ক্ষেত্ৰত এক নতুন ধাৰাৰ সৃষ্টি কৰিছিল। পশ্চিমীয়া কলা-কৌশল আৰু হিন্দুস্তানী ৰাগ - সংগীতৰ সংমিশ্ৰণ ঘটাই তেওঁ গীতসমূহক এটা সুকীয়া ৰূপ দিছিল। এনে নতুন সংমিশ্ৰণেৰে তেওঁ অসমীয়া সংগীতলৈ অভিনৱত্ব আনে। জ্যোতপ্ৰসাদৰ গীতৰ অভিনৱত্বৰ বাবে তেওঁৰ গীতখিনিক 'জ্যোতিসংগীত' নামেৰে নামাকৰণ কৰা হৈছে। তেওঁৰ দ্বাৰা ৰচিত গীত সমূহৰ দুটা প্ৰধান বিশেষত্ব হল - স্বদেশ প্ৰেম , সুন্দৰৰ সন্ধান আৰু সাধনা । তেওঁৰ গীতৰ মূল বিষয় বস্তু হল : মানুহ, প্ৰকৃতি, কৃষক বনুৱা নাৰী গণতন্ত্ৰ স্বাধীনতা ইত্যাদি।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত ব্যৱহাৰ হোৱা গীতৰ সুৰ : জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত ব্যৱহাৰ হোৱা গীত সমূহ অপূৰ্ব সৃষ্টি। তেওঁ ৰচনা কৰা প্ৰথমখন নাটক শোণিত কুঁৱৰীৰ বাবে যি গীত সৃষ্টি কৰিলে সেই গীতে অসমীয়া সংগীতৰ জগত খনত এক নতুন দিগন্তৰ সূচনা কৰিছিল। 'শোণিত কুঁৱৰী' নাটকৰ গীতত তেওঁ প্ৰথম বাৰ থলুৱা সুৰৰ প্ৰয়োগ কৰে। মাত্ৰ চৈধ্য বছৰ বয়সতে তেওঁ এই নাটকখন ৰচনা কৰিছিল। নাটক খনত ১৩ টা গীত সন্নিবিষ্ট কৰিছে। 'শোণিত কুঁৱৰী' নাটক খনত বিয়ানাম, আইনাম, বনগীত, বিহু গীতৰ সুৰ সংযোজন কৰিছিল। শোণিত কুঁৱৰী নাটকখনৰ আৰম্ভণিতে নায়িকা ঊষাই সখীয়েক চিত্ৰলেখা আৰু অন্যান্য লগৰীয়া সকলৰ সৈতে ৰাজ কাৰেঙৰ ফুলনিৰ ভিতৰত নাচি বাগি গোৱা — 'গছে গছে পাতি দিলে ফুলৰে শৰাই' শীৰ্ষক গীত তেওঁৰ সুৰেই অসমৰ থলুৱা গীত বিয়ানামৰ সুৰত প্ৰতিষ্ঠিত। "অসমীয়া আধুনিক সংগীতৰ ইতিহাসত নতুন ভাৱধাৰাৰ আগমন ঘটোৱা 'শোণিত কুঁৱৰী' আৰম্ভ হৈছে গছে গছে পাতি দিলে ফুলৰে শৰাই গীতেৰে , যি নাট্য - কাহিনীৰ পূৰ্বাভাস স্বৰূপ। এইজনা শিল্পীৰ যুগান্তকাৰী গীত হিচাপে 'গছে গছে পাতি দিলে ফুলৰে শৰাই' ৰ সুৰত অসমৰ সাতামপুৰুষীয়া বিয়ানামৰ সুৰত আধুনিক গীতৰ সুৰৰ ৰূপ দিয়া হৈছে।" অসম সাহিত্য সভা - (অসমৰ সংগীত ঐতিহ্য আৰু পৰম্পৰা পৃ. ৯১ )

অসমৰ সাতাপুৰুষীয়া বিয়ানামৰ কেবাটাও সুৰ আনি জ্যোতিপ্ৰসাদে বিভিন্ন নাটকৰ স্বৰচিত গীতত আৰোপ কৰিছিল। **উদাহৰণস্বৰূপে :**

আগত দিয়া পাছত দিয়া
পঞ্চ আয়তীয়ে কি ৰাম ৰাম
পঞ্চ আয়তীয়ে
দুৰ্বাঘাটৰ পানী আনি
আইদেউৰ মূৰত দিয়ে

"শোণিত কুঁৱৰী নাটকত ঊষা-অনিৰুদ্ধৰ গন্ধৰ্ব বিবাহৰ সময়ত চিত্ৰলেখা আৰু তেওঁৰ সখীসকলে গোৱা ৰূপহ কোঁৱৰৰ চুমা পৰশতে লাজুকী কুঁৱৰী মৰহি যায় গীত তেওঁৰ বিয়ানামৰ সুৰৰ এটি আধুনিক ৰূপ পৰিলক্ষিত হয়।" (অসম সংগীত ঐতিহ্য আৰু পৰম্পৰা পৃ. ৯৯)

অসমীয়া লোক সংগীতৰ ভিতৰত বিয়া নাম বোৰ অতি সুমধুৰ গীত। অসমীয়া সমাজৰ বিবাহ অনুষ্ঠানৰ লগত খাপ খুৱাই বিয়াৰ বিভিন্ন পৰ্বসমূহত গোৱা বিয়ানামৰ সুৰে হয়তো জ্যোতিপ্ৰসাদ আগৰৱালাক অতি আপ্লুত কৰিছিল। সেয়েহে তেওঁৰ গীত সমূহত বিয়া নামৰ সুৰে বিশেষ ভাবে সুকীয়া স্থান দখল কৰিছিল।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটখনত গীতৰ সংখ্যা কম যদিও গীত সমূহত থলুৱা সুৰৰ লগতে পশ্চিমীয়া সুৰৰ প্ৰভাৱো লক্ষ্য কৰা যায়। নাট খনৰ প্ৰথম অংকৰ প্ৰথম দৰ্শনত শেৱালিৰ মুখত দিয়া গীতটিৰ মাজেৰে শেৱালিৰ মনৰ অৱস্থা সুন্দৰকৈ প্ৰকাশ পাইছে—

"সোণৰ পালেঙত অ মনে তৰা
সোণৰ পালেঙত অ মনে তৰা
ধুনীয়া কোঁৱৰৰ ঘুমতি নাহিলে
কপাহৰে দলিচা পৰা মনে তৰা…"

তৃতীয় অঙ্কত থকা 'মোৰে জীৱনৰে সখা কৃষ্ণ' গীত টিৰ মাজেৰে আধ্যাত্মিক ভাব ফুটি উঠিছে। নাগিনী ছোৱালী ৰুনুক, জুনুক আৰু ঠুনুকৰ মুখত দিয়া 'বনৰীয়া আমি বনৰ শৰাই গীতটি' মুক্ত আৰু চঞ্চল মনৰ প্ৰকাশ।

আগৰৱালাৰ আন এখন নাট হৈছে - 'ৰূপালীম' । ৰূপালীমত মাত্ৰ চাৰিটা গীত সন্নিবিষ্ট কৰা হৈছে। "ৰূপালীমত এটা কাল্পনিক পাহাৰীয়া জাতিৰ আলমত নাটকীয় কাহিনী গঢ়ি তোলা হৈছে যদিও তাত অসমীয়া জন জাতীয় সমাজ খনৰ প্ৰতিবিম্ব প্ৰকাশিত হৈছে। ৰূপালীম নাটকৰ 'জিলিকা পাখিৰে অ সোণ ম'ৰা চৰাই' গীতটোৰ সুৰত আমাৰ মিচিং ঐনিতমৰ সুৰ এটা ৰিণিকি ৰিণিকি বাজি উঠিছে।" (অসম সাহিত্য সভা : অসমৰ সংগীত ঐতিহ্য আৰু পৰম্পৰা পৃ.১০০)

ৰূপালীম নাটকৰ পটভূমি হৈছে পৰ্বতৰ বুকুত থকা ৰুকমী গাঁও। পৰ্বতৰ পৰা নামি অহা জুৰিৰ লগতে প্ৰকৃতিৰ মনোমোহা সৌন্দৰ্য্য 'জিৰ জিৰ জিৰ জিৰ নিজৰি' গীতটিৰ মাজেৰে প্ৰকাশ পায় —

জিৰ জিৰ জিৰ জিৰ নিজৰি
জিৰ জিৰে তাতে নিজৰি জিৰ জিৰ নিজৰি অ '।

ৰুকমী ছোৱালীৰ মুখত ফুটি উঠা আন এটি ৰোমাণ্টিক গীত হৈছে জিলিকা পাখিৰে জিলিকা পাখিৰে অ ' সোণ ম'ৰা চৰাই।

নাট খনৰ আন এটি সুন্দৰ গীত হৈছে ---

"অ সখী আজি , যৌৱন বন জুৰি
বন বসন্ত মুঞ্জৰি পত বৰণৰে মেলা
হাঁহা সখী মোৰ হাঁহা সখী মোৰ
হাঁহিৰে ফাকু খেলা….."

জ্যোতিপ্ৰসাদৰ আন এখন নাটক হৈছে 'নিমাতী কইনা' । "নিমাতী কইনা' ৰ পাতনিতে জ্যোতিপ্ৰসাদে লিখিছিল 'আমাৰ বুঢ়ী আইৰ জোলোঙাৰ পৰা নিমাতী কইনা নামৰ আমাৰ দেশত প্ৰচলিত সাধুৰ এই নাটক ৰূপত ৰূপান্তৰ ।" (অসম সাহিত্য সভা: অসমৰ সংগীত ঐতিহ্য আৰু পৰম্পৰা পৃ.১০০)

নিমাতী কইনা নাটখন কাব্যধৰ্মী নাটক। নাটক খনত মুঠ ৯টা গীতৰ সমাবেশ পোৱা যায়। নাটখনৰ আৰম্ভণিতে ভাব গধুৰ গীত এটিত জ্যোতিপ্ৰসাদৰ শিল্পী চেতনা প্ৰকাশ পাইছে—

"আজি পুৱতি
কিহৰে আৰতি
কি নবীন বীণা বাজে
পোহৰৰ বাটে বাটে"

'নিমাতী কইনা' ৰ আন এটি সুন্দৰ গীত হল 'জোনাকী কাৰেঙত কোনে বীণ বায়' গীতটোৰ মাজেৰে লোক গীতৰ সুৰ শুনিবলৈ পোৱা যায়। 'সাত সাগৰৰ দেশ - বিদেশৰ তেৰ নদীৰ পাৰে' গীত টিৰ মাজেৰেও লোক গীতৰ সুৰ ভাঁহি আহে। থলুৱা সুৰৰ প্ৰভাৱ থকা খেতিয়কৰ ছোৱালীৰ মুখত গুঞ্জৰিত হোৱা গীতটিয়ে সকলোৰে মন চুই যায়—

"সেউজী সেউজী সেউজী অ
সেউজী ধৰণী ধুনীয়া
সোণোৱালী শইচৰ
পথাৰ কোলাত শোভে
ৰদালিৰে ফুল ফল
সেন্দুৰীয়া।"

নিমাতীৰ সখীসকলে গোৱা 'নিমাতী কইনা নাহাঁহি মইনা' গীতটিত ৰোমাণ্টিকতাৰ আবেশ পোৱা যায়।

তেওঁ ৰচনা কৰা লভিতা নাটখন আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচিত। লভিতা নাটকৰ বিষয়বস্তু আৰু গীতসমূহত স্বদেশ প্ৰেমৰ ভাব প্ৰকাশ পোৱা দেখা যায়। নাটকখনত মুঠ ৮ টা গীত পোৱা যায়। গীতকেইটিৰ মাজেৰে গভীৰ দেশপ্ৰেম প্ৰকাশ পাইছে। ভাৰতৰ বিপ্লৱী ডেকাসকলক যুঁজ দি বন্দীত্বৰ শিকলি চিঙি স্বাধীনতা আনিবলৈ কাতৰ আহ্বান জনাইছে—

" সাজু হ, সাজু হ নৱ জোৱান!
সাজু হ, সাজু হ নৱ জোৱান!
তই কৰিব লাগিব অগ্নিস্নান
জীৱন যৌৱন
কৰি প্ৰানপন
ৰাঙলী কৰি দে ৰণাংগন…."

জাতীয় ভাবৰ সমাবেশ থকা আন এটি গীত হৈছে—

"অ' আমাৰ গাঁও
আমাৰ গাঁৰৰ মান ৰাখি
মৰিবলৈ যাওঁ আমি
মৰিবলৈ যাওঁ।"

নিজৰ গাঁৰৰ মান ৰাখিবলৈ নিজৰ জীৱন উচৰ্গা কৰা গাঁৰৰ ডেকা গাভৰুৰ দেশপ্ৰেম গীতটিৰ মাজেৰে প্ৰকাশিত হৈছে। জনতাৰ অধিকাৰ, প্ৰাপ্যৰ পৰা বঞ্চিত কৰা শত্ৰুক গীতৰ মাজেৰে সাৱধান কৰি দিছে – 'এই মাটি মোৰ অধিকাৰ' ..., বিশ্ববিজয়ী নৱজোৱান / বিশ্ববিজয়ী নৱজোৱান ! গীতটিৰ মাজেৰে মৃত্যুক জয় কৰি স্বাধীনতাৰ দুৱাৰ খুলিবলৈ দেশৰ সন্তানক উদগনি দিছে। ভাৰতৰ বিপ্লৱী মনৰ ডেকা গাভৰুক দেশপ্ৰেমেৰে অনুপ্ৰাণিত কৰা গীত এটি হ' ল — 'জয় হিন্দ জয় হিন্দ' । দেশৰ বাবে প্ৰাণ আহুতি দিয়া লাচিতক গীতৰ মাজেৰে সোঁৱৰণ কৰিছে — লাচিতৰ দিনৰে জ্বলা জুয়েকুৰা

আই অ' নুমুৱা নাই,
নতুন তেজেৰে শলিতা জ্বলিছে
উজলিছে ভমকাই।

বিপ্লৱী মনোভাৱেৰে লিখা তেওঁৰ গীত সমূহৰ ভিতৰত —

লুইতৰ পাৰৰে আমি ডেকা ল' ৰা
মৰিবলৈ ভয় নাই….

বৰলুইতৰ দুয়োপাৰে বসবাস কৰা বিশাল জনগণ তথা নৱপ্ৰজন্ম আৰু পাহুৱাল ডেকাসকলক নিজৰ জননীক সুৰক্ষিত কৰিবলৈ আহ্বান জনাইছে —

আমি আগবাঢ়ি
ডিঙি পাতি পাতি
আমি আগবাঢ়ি
ডিঙি পাতি পাতি
তেজেৰে বলিশাল
যামেই বোলাই……

নিজৰ মাতৃভূমিৰ বাবে অসমীয়া জাতিৰ বাবে উঠি অহা প্ৰজন্মক দেশৰ হকে জীৱন দান দিবলৈ আহ্বান জনাইছে। দেশ মাতৃৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধা, প্ৰেম,

দায়িত্ববোধ গীতটিৰ মাজেৰে প্ৰকাশ পাইছে। অসমীয়া ডেকা শক্তিৰ বলতহে অসমে প্ৰাণ পাই উঠিব বন্দীত্বৰ শিকলি খোল খাব। লাচিতৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ আসমী আইক ৰক্ষা কৰাৰ কথা কৈছিল —

তাহানি লাচিতে
এৰি থৈ যোৱাৰে পৰা
জননী তোৰ লঘু-লাঞ্ছনাৰ
দুঃখে বেজাৰৰে
আজিও নপৰিল ওৰ।

ইতিহাস প্ৰসিদ্ধ যোদ্ধা লাচিতৰ উদাহৰণ দি অসমীয়া ডেকাসকলক উৎসাহিত কৰিছিল। দেশৰ প্ৰতি হোৱা অন্যায়, হিংসা আৰু শোষণ দেখি তেওঁ জ্বলি উঠিছিল। অত্যাচাৰী, দমনকাৰী, আৰু শোষণকাৰী সকলৰ বিৰুদ্ধে থিয় হৈ এখন নতুন দেশ গঢ়াৰ সপোন দেখিছিল —

শত কাপুৰুষ পুৰুষে সহিলেও
আমাৰ যে নসহে গায়।
আমি ডেকা ল’ ৰাই জীৱন পণ কৰিছো
মোহাৰ চকুলো
কলিজাৰ আই

অসমী আইৰ দুৰ্দশা, কোলাহল দেখি তেওঁ অস্থিৰ হৈ পৰিছে। নিজ দেশৰ মান মৰ্যদা শেষ হবলৈ ধৰাত দেশ মাতৃৰ পুত্ৰ হৈ দেশৰ দুৰ্দশাত তেওঁৰ অন্তৰআত্মা কঁপি উঠিছে। নিজৰ দেশৰ প্ৰতি নিজৰ জাতিটোৰ প্ৰতি অসমীয়া ডেকাসকলক সজাগ কৰি তুলিবলৈ তেওঁ চেষ্টা কৰিছে। লাচিত বৰফুকনৰ দৰে পৰাক্ৰমী বীৰৰ আদৰ্শ অনুসৰণ কৰি লুইতৰ পাৰৰ ডেকাসকলক দেশৰ হকে যুঁজ দিবলৈ গীতৰ মাজেৰে জ্যোতিপ্ৰসাদ আগৰৱালাই আহ্বান জনাইছিল। তেওঁ ৰচনা কৰা প্ৰতিটো গীততেই আছিল মাটিৰ গোন্ধ।

বাদ্যযন্ত্ৰ সমাহাৰে সংগীতক মধুৰ কৰি তোলে। জ্যোতিপ্ৰসাদ আগৰৱালাই বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো নতুনত্ব আনিছিল। বাদ্যযন্ত্ৰ অবিহনে সংগীতে পূৰ্ণতা নাপায়। অসমীয়া থলুৱা বাদ্যযন্ত্ৰ— খোল, নাগাৰা, দোতাৰা, দবা, ভোৰতাল, টকা, বাঁহী, গগনা, ইত্যাদি ব্যৱহাৰ কৰি অসমীয়া সংগীতক নতুন মাত্ৰা প্ৰদান কৰিছিল।

**উপসংহাৰ :** উনবিংশ শতিকাৰ শেষৰফালে ইংৰাজসকলে অসম দখল কৰাৰ ফলশ্ৰুতিত অসমীয়া নাটক, সংগীত, ভাষা সাহিত্যৰ ওপৰত যথেষ্ট বিৰূপ প্ৰভাৱ পৰিছিল। বঙলা ভাষাৰ লগতে বঙলা সংগীতে অসমীয়া গীতৰ স্থান অধিকাৰ কৰিছিল। অসমৰ শিক্ষিত লোকসকলে অসমৰ থলুৱা গীতসমূহ – বিহুগীত,বনগীত,লোকগীত, টোকাৰীগীতক অৱহেলা কৰিব ধৰিছিল। অসমীয়া সংগীতৰ এই সংকটময় সময়ছোৱাত কেইজনমান দেশপ্ৰেমীয়ে সংগীত সৃষ্টিৰ প্ৰচেষ্টাত হাত দিছিল। তাৰ ভিতৰত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল অন্যতম। অসমীয়া সংগীত সাহিত্যৰ জগতখনলৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান অনন্য। গীতি সাহিত্যৰ লগতে ভাষা-সংস্কৃতিৰ প্ৰতিটো দিশতে তেওঁৰ সৃষ্টিশীল প্ৰতিভাৰ পৰিচয় পোৱা যায়। কবিতা, নাটক, বোলছবি, অভিনয়, শিশু সাহিত্যি এই সকলোবোৰ দিশতে অপূৰ্ব সৃষ্টিৰাজিৰে তেওঁ অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত নৱজাগৰণৰ সৃষ্টি কৰে। আধুনিক মনৰ শিল্পীগৰাকীয়ে অসমৰ থলুৱা সংগীতৰ লগত পাশ্চাত্য সংগীতৰ কলা-কৌশলৰ সংমিশ্ৰণ ঘটাই নতুন অসমীয়া সংগীতৰ লগতে নতুন পথৰ সন্ধান দিছিল। আধুনিকতাৰ পৰশেৰে তেওঁ অসমীয়া সংগীতক ন- সাজ পিন্ধায়। অসমীয়া সংগীতক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ যুগস্ৰষ্টা শিল্পীগৰাকীয়ে অহোপুৰুষাৰ্থ কৰিছিল। তেওঁৰ প্ৰতিটো গীতেই আছিল তেজোদ্দীপক। ৰোমান্টিকতা, দেশপ্ৰেম, শিল্পীচেতনা, বিপ্লৱীসত্ত্বা তেওঁৰ গীতত প্ৰধানভাৱে লক্ষ্য কৰা যায়। যুগস্ৰষ্টা শিল্পীগৰাকীয়ে অসমীয়া জাতিলৈ যি অৱদান আগবঢ়াই থৈ গ’ ল তাৰ বাবে অসমীয়া জাতি তেওঁৰ ওচৰত চিৰঋণী হৈ ৰ’ ব।

**সহায়ক গ্ৰন্থপঞ্জী :**

১/ আগৰৱালা, জ্যোতিপ্ৰসাদ : 'কাৰেঙৰ লিগিৰী' অসম প্ৰকাশন পৰিষদ, ১৯৯৪

: ৰূপালীম, অসম প্ৰকাশন পৰিষদ, ২০১৬

২/ গোস্বামী, লোকনাথ : অসমীয়া আধুনিক সংগীতৰ ইতিহাস, ৰেখা প্ৰকাশন, ২০১৬

৩/ অসম সাহিত্য সভা : অসমৰ সংগীত ঐতিহ্য আৰু পৰম্পৰা, ২০১৬

৪/ শৰ্মা, ড০ সত্যেন্দ্ৰ নাথ : অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সৌমাৰ প্ৰকাশ, ২০১৮